# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-DEC-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১।	ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত নতুন দিল্লীত অসমৰ সাংসদৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক। মল্লিকাৰ্জ্জুন খাৰ্গেৰ বাসগৃহত প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বৰ আলোচনা।

২।	নুমলীগড় শোধনাগাৰক কেন্দ্ৰীয় চৰকাৰৰ **নৱৰত্ন**ৰ মৰ্যাদা।

৩।	নিউ কোচবিহাৰৰ পৰা গোলকগঞ্জ আৰু গৌৰীপুৰ হৈ অভয়াপুৰীলৈ ৰে'লপথৰ দ্বৈতকৰণৰ চূড়ান্ত জৰীপত ৰে'ল মন্ত্ৰ্যালয়ৰ অনুমোদন।

৪।	শীতৰ আলহী হৈ অহা পৰিভ্ৰমী পক্ষীৰ কলৰৱত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বনাঞ্চল, ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্যত নান্দনিক পৰিৱেশ।   **আৰু**

৫।	তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ৰায়পুৰত আজি ভাৰত-দক্ষিণ আফ্ৰিকাৰ মুখামুখি।

oooooo

ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচন সন্দৰ্ভত আলোচনা কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি অসমৰ সাংসদসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। নতুন দিল্লীৰ সংসদ ভৱনত থকা প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত অসমৰ সাংসদসকলে ৰাজ্যখনৰ উন্নয়নকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত প্ৰধানমন্ত্ৰীৰ সৈতে আলোচনা কৰে। প্ৰায় এঘণ্টা ধৰি চলা বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটাৰ লগতে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, সাংসদ প্ৰদান বৰুৱা, ৰঞ্জিত দত্ত, ৰামেশ্বৰ তেলী, কৃপানাথ মাল্লা, পৰিমল শুক্লবৈদ্য, বিজুলী কলিতা মেধি, অমৰ সিং টিছ', ভূবনেশ্বৰ কলিতা আৰু কামাখ্যা প্ৰসাদ তাছা উপস্থিত থাকে। সাংসদসকলে নিজৰ নিজৰ সমষ্টিৰ উন্নয়নমূলক আঁচনিৰ অগ্ৰতিৰ বিষয়ে প্ৰধানমন্ত্ৰীক অৱগত কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ সাংসদসকলক তৃণমূল পৰ্যায়ত জনতাৰ সৈতে যোগসূত্ৰ স্থাপন কৰাৰ লগতে উন্নয়নমূলক কাম-কাজসমূহ ক্ষীপ্ৰভাৱে আগবঢ়াই নিবলৈ নিৰ্দেশ দিয়ে।

ইপিনে বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰাৰ বাবে কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই কালি নতুন দিল্লীত অসম প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বৰ সৈতে এখন বৈঠকৰ আয়োজন কৰে। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জ্জুন খাৰ্গেৰ বাসগৃহত অনুষ্ঠিত এই বৈঠকত লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ো উপস্থিত থাকে। বিৰোধী দলটোৰ নেতৃত্বই অসমত কংগ্ৰেছৰ সাংগঠনিক স্থিতি শক্তিশালী কৰাৰ লগতে নিৰ্বাচনৰ বাবে ল'বলগীয়া ব্যৱস্থা সন্দৰ্ভত পৰামৰ্শ আগবঢ়ায়। প্ৰায় ডেৰ ঘণ্টা চলা এই বৈঠকত মল্লিকাৰ্জ্জুন খাৰ্গে আৰু ৰাহুল গান্ধীৰ লগতে এ আই চি চিৰ সাধাৰণ সম্পাদক কে চি বেনুগোপাল, অসমৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিং, প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, বিৰোধী দলপতি দেবব্ৰত শইকীয়া, সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু ৰকিবুল হুছেইন, ৰজলীনা তিৰ্কি, জাকিৰ হুছেইন শিকদাৰ, প্ৰদীপ চৰকাৰ আদি উপস্থিত থাকে। বৈঠকৰ অন্তত অসম কংগ্ৰেছৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিঙে সাংবাদিকৰ আগত প্ৰকাশ কৰা মতে সমাগত বিধানসভা নিৰ্বাচনত বিৰোধী দলটোৱে জুবিন গাৰ্গৰ মৃত্যুৰ বিষয়টো নিৰ্বাচনী ইচ্ছ্যু হিচাপে নলয়। মুখ্যমন্ত্ৰীসহ চাৰি-পাঁচজন মন্ত্ৰীৰ দুৰ্নীতিহে দলটোৰ নিৰ্বাচনী ইচ্ছ্যু হ'ব বুলি তেওঁ কয়। একেদৰে

নিৰ্বাচনী মিত্ৰতা সন্দৰ্ভত এতিয়াও কোনো চূড়ান্ত সিদ্ধান্ত হোৱা নাই আৰু দলৰ তৃণমূল কৰ্মীয়ে এই বিষয়ত সিদ্ধান্ত ল'ব বুলি তেওঁ উল্লেখ কৰিছে।

**বাইট (জীতেন্দ্ৰ সিং)**

০০০০০০

নুমলীগড় শোধনাগাৰক কেন্দ্ৰীয় চৰকাৰে নৱৰত্নৰ মৰ্যাদা প্ৰদান কৰিছে। কেন্দ্ৰীয় বিত্তীয় মন্ত্ৰী নিৰ্মলা সীতাৰমণে নুমলীগড় শোধনাগাৰক নৱৰত্ন কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান হিচাপে কালি অনুমোদন জনায়। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ্ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তই অসম তথা উত্তৰ-পূৰ্বাঞ্চলক শক্তিখণ্ডত অধিক শক্তিশালী হোৱাৰ পথ প্ৰশস্ত কৰিব। তদুপৰি শোধনাগাৰটোত অন্তৰ্ভুক্ত হোৱা বাঁহভিত্তিক জৈৱ ইন্ধন প্ৰকল্পৰ জৰিয়তে অঞ্চলটোৰ জৈৱ ইন্ধনৰ শক্তি বৃদ্ধি পাব বুলি তেওঁ উল্লেখ কৰিছে। পূৰ্বে মিনি নৱৰত্নৰ মৰ্যাদা লাভ কৰা নুমলীগড় শোধনাগাৰ ২০২৪-২৫ বিত্তীয় বৰ্ষত ব্যৱসায় আছিল ২৫ হাজাৰ ১৪৭ কোটি টকা আৰু লাভাংশ আছিল এহেজাৰ ৬০৮ কোটি টকা।

০০০০০০

অসম আৰক্ষী আৰু গৃহ বিভাগৰ মুঠ ৫ হাজাৰ ৮১৮ গৰাকী নৱ-নিৰ্বাচিত প্ৰাৰ্থীক আজি নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আজি দিনৰ ১১ বজাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি-পত্ৰসমূহ প্ৰদান কৰিব। ইয়াৰ ভিতৰত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক আৰু সমপৰ্যায়ৰ পদত ১৫৬ গৰাকী, কনিষ্টবল আৰু সমপৰ্যায়ৰ পদত ৫ হাজাৰ ৪১০ গৰাকী প্ৰাৰ্থীৰ লগতে ২৫২ গৰাকী চতুৰ্থ বৰ্গৰ পদৰ প্ৰাৰ্থী আছে। নিৰ্বাচিত প্ৰাৰ্থীসকলৰ ৫ হাজাৰ ১০ গৰাকীয়ে অসম আৰক্ষী, ৪১১ গৰাকীয়ে অসম আৰক্ষী অনাতাঁৰ সংগঠন, ৩৬১ গৰাকীয়ে গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা, ২১ গৰাকীয়ে অগ্নি আৰু জৰুৰীকালীন সেৱা, ১২ গৰাকীয়ে কাৰাগাৰ আৰু তিনিগৰাকীয়ে ফৰেনচিক বিজ্ঞান সঞ্চালকালয়ত নিযুক্তি লাভ কৰিছে। চাহ জনজাতি সম্প্ৰদায়ৰ বাবে সংৰক্ষিত ৩ শতাংশ পদত নিৰ্বাচিত ১২০গৰাকী প্ৰাৰ্থীক অহা ৮ ডিচেম্বৰত পৃথকভাৱে নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। ৫ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ শিক্ষকক ৰাজ্য চৰকাৰে ইতিমধ্যে নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

০০০০০০

টাই-আহোম উন্নয়ন পৰিষদে শিৱসাগৰ নগৰ সমীপৰ বেতবাৰী মৌজাত থকা আহোম ৰাজত্ব কালৰ বৰপাত্ৰ গোহাঁইসকলৰ সাতটা মৈদাম সংৰক্ষণৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপৰ অংশস্বৰূপে পৰহি মৈদামৰ চাৰিওকাষে নিৰ্মাণ কৰিবলগীয়া দেৱালৰ আধাৰশিলা স্থাপন কৰা হয়। মন্ত্ৰী পীযুষ হাজৰিকাই প্ৰায় ৪৫ লাখ টকা পুঁজিৰে নিৰ্মাণ হ'বলগীয়া এই দেৱালখনৰ আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে টাই-আহোম উন্নয়ন পৰিষদৰ পুঁজিৰে এই নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰা হ'ব। এই সন্দৰ্ভত মন্ত্ৰী হাজৰিকাই এইদৰে কয় –

**বাইট (পীযূষ হাজৰিকা)**

০০০০০০

ৰে'ল মন্ত্ৰণালয়ে পশ্চিমবংগৰ নিউ কোচ বিহাৰৰ পৰা গোলকগঞ্জ আৰু গৌৰীপুৰ হৈ অভয়াপুৰীলৈ থকা ১৫২ দশমিক ৩ - ১ কিলোমিটাৰ ৰে'লপথৰ দ্বৈতকৰণৰ চূড়ান্ত জৰীপত অনুমোদন জনাইছে। প্ৰায় তিনি কোটি ৬৫ লাখ টকা ব্যয়েৰে চলাবলগীয়া এই স্থানভিত্তিক জৰীপ শীঘ্ৰেই আৰম্ভ হ'ব। বৰ্তমান এশাৰীয়া লাইনযুক্ত এই পথটো দ্বৈত ৰে'লপথ হৈ উঠিলে পশ্চিম অসম আৰু উত্তৰ বংগৰ মাজত বিকল্প দ্বৈত ৰে'লপথ স্থাপন হ'ব। উল্লেখযোগ্য যে বঙাইগাঁৱৰ পৰা অভয়াপুৰী হৈ নৰনাৰায়ণ সেঁতুৰে কামাখ্যালৈ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰেৰে দ্বৈত ৰে'লপথ আৰু

বৈদ্যুতিকৰণৰ কাম সম্পূৰ্ণ হৈছে। গোলকগঞ্জ-গৌৰীপুৰ হৈ কোচবিহাৰলৈকে আনটো দ্বৈত ৰে'লপথ সম্পূৰ্ণ হৈ উঠিলে অসমৰ সৈতে দেশৰ বাকী অংশৰ দ্ৰুত ৰে'লসেৱা সম্ভৱ হৈ উঠিব।

ৰে'ল বিভাগৰ সূত্ৰই জনোৱা মতে চূড়ান্ত স্থানভিত্তিক জৰীপত প্ৰস্তাৱিত ৰে'লপথটো যাবলগীয়া অঞ্চলৰ ভূ-প্ৰাকৃতিক অৱস্থা, ভূমিৰ গুণাগুণ আদি পৰীক্ষা কৰাৰ লগতে সম্ভাব্য দলং আৰু সুৰংগসমূহৰ দৰে অভিযান্ত্ৰিক দিশসমূহ অধ্যয়ন কৰা হয়। এই জৰীপ সম্পূৰ্ণ হোৱাৰ পাছত ইয়াক ৰে'লৱে ব'ৰ্ড আৰু ৰে'ল মন্ত্ৰালয়ৰ ওচৰত দাখিল কৰা হ'ব।

আনহাতে, উত্তৰ-পূব সীমান্ত ৰে'লৱেই কামাখ্যা ৰে'ল ষ্টেচনৰ পৰা বন্দে ভাৰত আৰু অমৃত ভাৰত এক্সপ্ৰেছৰ দৰে অত্যাধুনিক ৰে'লগাড়ীৰ চলাচলৰ সুবিধাৰ্থে দুটা নতুন পিট লাইন নিৰ্মাণ কৰিছে। শিলচৰ আৰু আগৰতলাৰ সাংসদ দুগৰাকীয়ে ইতিমধ্যে ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰি শিলচৰ হৈ গুৱাহাটী আৰু আগৰতলাৰ মাজত বন্দে ভাৰত এক্সপ্ৰেছ প্ৰৱৰ্তনৰ বাবে অনুৰোধ জনাইছে।

000000

শীতৰ আলহী হৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বনাঞ্চল, ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্যলৈ পৰিভ্ৰমী পক্ষীৰ আগমন ঘটিছে। বিভিন্ন প্ৰজাতিৰ পক্ষীৰ কলৰৱে নান্দনিক পৰিৱেশৰ সৃষ্টি কৰিছে। সত্ৰ-সংস্কৃতিৰ পীঠস্থান মাজুলীত ব্ৰহ্মপুত্ৰৰ বালিচৰসমূহৰ লগতে বিভিন্ন নৈ আৰু জলাশয়সমূহত নানান প্ৰজাতিৰ চৰাইয়ে পৰ্যটকসকলক আকৰ্ষণ কৰিছে। মাজুলীৰ চৰাইচোঙত অহা ৭ ডিচেম্বৰৰ পৰা চৰাইচোং মহোৎসৱ উদযাপন কৰা হ'ব। মাজুলীলৈ পৰিভ্ৰমী চৰাইৰ আগমন সন্দৰ্ভত প্ৰকৃতিপ্ৰেমী কুশদীপ হাতীমতাই আমাৰ মাজুলীৰ সংবাদদাতাৰ আগত এইদৰে কয় –

**বাইট**

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ লগতে দাঁতি কাষৰীয়া গাঁওসমূহৰ বিল, জলাশয় আদিত বিভিন্ন প্ৰজাতিৰ চৰাইয়ে মনোমোহা পৰিৱেশৰ সৃষ্টি কৰিছে। গুৱাহাটী মহানগৰীৰ দীপৰ বিলতো বিভিন্ন প্ৰজাতিৰ পক্ষী দেখা গৈছে। এই দৃশ্যসমূহ প্ৰত্যক্ষ কৰাৰ লগতে প্ৰাকৃতিক পৰিৱেশত একেলগে এসাঁজ খোৱাৰ বাবে বনভোজ দলসমূহৰ এই স্থানসমূহলৈ আগমন হৈছে।

প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ গোৱালপাৰা জিলাৰ ঐতিহাসিক উৰপদ বিল নামনি অসমৰ অন্যমত পৰ্যটন স্থলী হিচাপে পৰিগণিত হৈছে। শীতকালৰ লগে লগে উৰপদ বিলতো নানান চৰাই প্ৰত্যক্ষ কৰিবলৈ পৰ্যটকৰ সংখ্যা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

পবিতৰা বন্যপ্ৰাণী উদ্যানত ৰঙাপাখিৰ হাঁহ প্ৰজাতিৰ বিৰল কাকলি হাঁহৰ আগমন ঘটিছে। উদ্যানখনত ভ্ৰমণৰত **আৰণ্যক** নামৰ বন্যপ্ৰাণী সংগঠনৰ গৱেষক তথা আলোকচিত্ৰকৰ উজ্বল ভূঞাই কালি এই বিৰল চৰাইবিধৰ তিনিটা চৰাইক প্ৰত্যক্ষ কৰে। ইয়াৰে এজনী মাইকী চৰাই আৰু আন দুটা মতা চৰাই বুলি ভূঞাই জানিবলৈ দিছে। উল্লেখযোগ্য যে বছৰৰ এই সময়ছোৱাত উদ্যানখনৰ তামুলীডুবা, হাঁহচৰা আৰু পাগলাডুবা বিলকেইখন শুকাই যায় যদিও উদ্যান কৰ্তৃপক্ষই যোৱা কেইবছৰমান ধৰি চলাই অহা নিৰলস প্ৰচেষ্টাৰ বাবে এইবাৰ এই বিলকেইখনত পানী আছে আৰু সেয়েহে এই বিৰল প্ৰজাতিৰ হাঁহবিধকে ধৰি পৰিভ্ৰমী চৰাইসমূহৰ উদ্যানখনলৈ আগমন ঘটিছে।

000000

অহা বছৰৰ এপ্ৰিলৰ পৰা সমগ্ৰ দেশজুৰি লোকপিয়ল কৰা হ'ব। ১২ খন ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ পাছতে এই কাম আৰম্ভ কৰা হ'ব। কালি লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ প্ৰশ্নৰ উত্তৰত গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ২০২৬ চনৰ এপ্ৰিলৰ পৰা ছেপ্তেম্বৰলৈ প্ৰথম পৰ্যায় আৰু ২০২৭ চনৰ ফেব্ৰুৱাৰীত দ্বিতীয় পৰ্যায়ৰ লোকপিয়ল কৰা হ'ব। লোকপিয়লৰ ভিত্তি তাৰিখ ২০২৭ চনৰ ১ মাৰ্চৰ মাজনিশা নিৰ্ধাৰণ কৰা হ'ব।

000000

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত চলিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন দিনৰ ১ বাজি ৩০ মিনিটত আৰম্ভ হ'ব। প্ৰথমখন এদিনীয়াত ভাৰতে ১৭ ৰানত বিজয় সাব্যস্ত কৰি শৃংখলাটোত সম্প্ৰতি ১-০ৰ অগ্ৰগতি লাভ কৰিছে। খেলখনত প্ৰথমে বেট ধৰি বিৰাট কোহলিৰ অনবদ্য শতকৰ সহায়ত ভাৰতে ৮টা উইকেটৰ বিনিময়ত ৩৪৯ ৰান সংগ্ৰহ কৰিছিল। কুলদ্বীপ যাদৱে ৪টা উইকেট দখল কৰে। ৰাঁচীত অনুষ্ঠিত এই খেলতে ৰোহিত শৰ্মাই এদিনীয়া ক্ৰিকেটত শ্বাহিদ আফ্ৰিদীৰ ৩৫১টা ছিক্সাৰৰ অভিলেখ পাৰ কৰি শীৰ্ষস্থানলৈ অগ্ৰসৰ হয়।

oooooo

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত দৈনিক বাতৰি কাকত সমূহে ভিন ভিন বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। চাইবাৰ নিৰাপত্তাৰ এপ **সঞ্চাৰ সাথী**ক লৈ দেশত সৃষ্টি হোৱা প্ৰতিক্ৰিয়া আৰু বিতৰ্কক লৈ প্ৰায় কেইখন কাকতেই বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰাজ্যত কৰ্কট আৰু বহুমূত্ৰ ৰোগী বৃদ্ধি হৈছে। লোকসভাত কালি এটা প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা এটা তথ্যৰ উদ্ধৃতিৰে দৈনিক জনমভূমি কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। উচ্চতম ন্যায়ালয়ে ভাৰতত বাস কৰি থকা ৰোহিঙ্গীয়া শৰণাৰ্থীৰ আইনী স্থিতি সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰিছে। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী কাৰ্য্যালয়ৰ নাম সেৱা তীৰ্থলৈ সলনি কৰা হৈছে। এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যৰ ৫০টা বিভাগে প্ৰায় **১৯** হাজাৰ কোটি টকাৰ পুঁজি ব্যয়ৰ প্ৰমাণ পত্ৰ দিয়া নাই বুলি কেগৰ প্ৰতিবেদনত প্ৰকাশিত প্ৰতিবেদনক লৈ অসমীয়া প্ৰতিদিন কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত কাকতেও ৰাজ্যৰ বাজেতক কেগে অবাস্তৱ আখ্যা দিয়া বুলি এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যত মনৰেগা আঁচনিৰ অধীনত প্ৰায় ৫ লাখ কৰ্ম আচনিত অসম্পূৰ্ণ হৈ আছে। এটা পৰিসংখ্যাৰ উদ্ধৃতিৰে দা ছেন্টিনেল কাকতে এই বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। সমাগত অসম বিধান সভাৰ নিৰ্বাচনত কংগ্ৰেছ দলৰ মিত্ৰতাৰ বিষয়টো হাইকামন্দে তৃণমূল পৰ্য্যায়ত বিবেচনা কৰা হব বুলি নিয়মীয়া বাৰ্তা কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ অধীনত **২১৭** গৰাকী চিকিৎসকক অব্যাহতি দিয়াৰ সন্দৰ্ভত আমাৰ অসম কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলীয়ে আবৰি থাকিব। অৱশ্যে পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত